# 2022

## HISTORY

### ( Skill Enhancement Course )

Paper : HIS–SE–3014

**( Historical Tourism in North-East India )**

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following (any *four*) : 1×4=4

তলত দিয়াসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

Answer in *one* word or in *one* sentence :

এটা শব্দ বা এটা বাক্যত উত্তৰ দিয়া :

*(a)* Name the wetland of Assam which is recognized as the Ramsar Site by the Ramsar Conservation.

ৰামচাৰ সংৰক্ষণৰ দ্বাৰা ৰামচাৰ স্থান হিচাপে স্বীকৃত অসমৰ আৰ্দ্ৰ-ভূমিখনৰ নাম লিখা।

*(b)* In which State of North-East the Kangla Fort is situated?

উত্তৰ-পূবৰ কোনখন ৰাজ্যত কাংলা দুৰ্গ অৱস্থিত ?

(c) Name the king who reconstructed the Kamakhya Temple.

কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ কৰা ৰজাজনৰ নাম কি ?

(d) Write the full form of the abbreviation —UNESCO.

UNESCO— সংক্ষিপ্ত শব্দৰাশিৰ সম্পূৰ্ণ ৰূপটো লিখা।

Write True or False :

সঁচা নে মিছা লিখা :

(e) Kasomari Pathar of Golaghat district of Assam is famous for Megaliths.

অসমৰ গোলাঘাট জিলাৰ কচোমাৰি পথাৰ মেগালিথ (বৃহৎ শৈলশিল্প)ৰ বাবে বিখ্যাত।

(f) Maibong was the capital of the Chutia kingdom.

মাইবঙ চুতীয়া ৰাজ্যৰ ৰাজধানী আছিল।

(g) Hornbill Festival is annually held in the State of Mizoram.

মিজোৰাম ৰাজ্যত প্ৰতি বছৰে হৰ্ণবিল উৎসৱ পালন কৰা হয়।

(h) Sri Surya Pahar is located in the district of Goalpara of Assam.

শ্ৰী সূৰ্য পাহাৰ অসমৰ গোৱালপাৰা জিলাত অৱস্থিত।





2. Answer the following questions in brief (any *three*) : 2×3=6

তলত দিয়া প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ দিয়া (যি কোনো তিনিটা) :

(a) Write shortly the definition of 'tourist' accepted in the League of Nations in 1936. What was the amendment of the definition made by the United Nations in 1945?

১৯৩৬ চনত জাতিসংঘত গ্ৰহণ কৰা 'পৰ্যটক'ৰ সংজ্ঞাটো সংক্ষিপ্তকৈ লিখা। ১৯৪৫ চনত ৰাষ্ট্ৰসংঘৰ দ্বাৰা প্ৰণিত সংজ্ঞাত কি সংশোধন কৰা হৈছিল?

(b) Write very briefly on the Ghanashyam's House of Sivasagar.

শিৱসাগৰৰ ঘনশ্যামৰ গৃহৰ বিষয়ে সংক্ষিপ্তকৈ লিখা।

(c) Write any two names of widely popular waterfalls of Assam.

অসমৰ বহুলভাৱে জনপ্ৰিয় যি কোনো দুটা জলপ্ৰপাতৰ নাম লিখা।

(d) Write the history behind the wild horses (Jangly Ghora) of the Dibru Choikhowa National Park of Assam.

অসমৰ ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ বনৰীয়া ঘোঁৰাবোৰৰ (জংলী ঘোঁৰা) আঁৰৰ ইতিহাস লিখা।

*(e)* Where is the Mopin Festival celebrated and by which tribe?

ম'পিন উৎসৱ কোনখন ৰাজ্যত আৰু কোন জনজাতিয়ে উদ্‌যাপন কৰে?

*(f)* Who were Usha and Aniruddha? Write the myth related to them.

ঊষা আৰু অনিৰুদ্ধ কোন আছিল? তেওঁলোকৰ সৈতে জড়িত পৌৰাণিক কাহিনীটো লিখা।

**3.** Write short notes on the following (any *two*) : 5×2=10

তলত দিয়াসমূহৰ ওপৰত চমু টোকা লিখা (যি কোনো দুটা) :

*(a)* Barpeta Satra

বৰপেটা সত্ৰ

*(b)* Hajo as a tourist spot

পৰ্যটনস্থল হিচাপে হাজো

*(c)* Tawang

টাৱাং

*(d)* Namdapha

নামদাফা

*(e)* Ranghar

ৰংঘৰ

*(f)* Ali-Aye-Ligang

আলি-আয়ে-লিগাং





**4.** Answer the following questions (any *three*) : 10×3=30

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো তিনিটা) :

*(a)* Write a note on the origin of tourism. Discuss on the various types of tourism.

পৰ্যটনৰ আৰম্ভণিৰ ইতিহাসৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা। বিভিন্ন প্ৰকাৰৰ পৰ্যটনৰ বিষয়ে আলোচনা কৰা।

*(b)* "Tourism can play a significant role on the development of economy of a country." Give your own argument.

"এখন দেশৰ অৰ্থনীতিৰ বিকাশত পৰ্যটনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।" তোমাৰ যুক্তি দিয়া।

*(c)* "The river island Majuli inherits a rich cultural heritage of Assam." Do you think that the island has a tremendous potentiality to change the economy of the State? Justify your argument.

"নদী দ্বীপ মাজুলী অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ উত্তৰাধিকাৰী।" এই দ্বীপটোৱে ৰাজ্যখনৰ অৰ্থনীতি সলনি কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে বুলি তুমি ভাবানে? যুক্তিৰে বিচাৰ কৰা।

(d) Make a road map on the prospect of religious tourism in Guwahati city with special focus on the Kamakhya Temple.

কামাখ্যা মন্দিৰৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি গুৱাহাটী মহানগৰত থকা ধৰ্মীয় পৰ্যটনৰ সম্ভাৱনাৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

(e) Analyze the role of Bihu in developing tourism in Assam.

অসমত পৰ্যটনৰ বিকাশৰ ক্ষেত্ৰত বিহুৰ ভূমিকা বিশ্লেষণ কৰা।

(f) Discuss the importance of Kaziranga as a tourist place in Assam.

অসমৰ পৰ্যটনস্থল হিচাপে কাজিৰঙাৰ গুৰুত্ব আলোচনা কৰা।

(g) Write a note on the tourist festivals based on the ethnic cultures of Nagaland and Manipur with special reference to Hornbill and Sangai Festival.

হৰ্ণবিল আৰু চাংগাই উৎসৱৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি নাগালেণ্ড আৰু মণিপুৰত গঢ়ি উঠা থলুৱা সংস্কৃতিৰ ওপৰত আধাৰিত বিভিন্ন পৰ্যটন উৎসৱ বা মেলাৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।





(h) "Sivasagar district is rich in historical architecture and antiquities which can attract a large number of tourists to Assam." Justify.

"শিৱসাগৰ জিলাখন ঐতিহাসিক পুৰাকীৰ্তি আৰু স্থাপত্যকলাৰে সমৃদ্ধ, যিবোৰে বৃহৎ সংখ্যক পৰ্যটকক অসমলৈ আকৰ্ষিত কৰিব পাৰে।" যুক্তিৰে বিচাৰ কৰা।

★★★